NEWZ NOW

সংখ্যা ২৯ | দেওবাৰ, ২২ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

অসম

স্বাস্থ্য বিভাগৰ হঠকাৰী সিদ্ধান্ত! নামভর্তিৰ পিছতো MBBS-ৰ মাচুল ১ লাখ পর্যন্ত বৃদ্ধি!

ৰাজ্যৰ চৰকাৰী মেডিকেল কলেজত পৰিয়ালৰ বার্ষিক উপার্জনৰ ভিত্তিত এমবিবিএছৰ মাচুল সর্বাধিক ১ লাখ টকালৈ বৃদ্ধি কৰি ৩০ নৱেম্বৰৰ ভিতৰত জমা দিবলৈ নির্দেশ দিয়া হৈছে।



শ্বাহ্ আলম | ২১ নৱেম্বৰ ২০২৬, নিশা ১১:৫৩

Gauhati Medical College and Hospital (GMCH)-ৰ ২১ নৱেম্বৰত জাৰি কৰা জাননীত ৩০ ননৱেম্বৰ ভিতৰত নতুন মাচুল জমা দিবলৈ কোৱা হৈছে। নামভর্তিৰ পিছত মাচুলৰ গাঁথনি সলনি কৰি ইতিমধ্যে অধ্যয়নৰত শিক্ষার্থীৰ ক্ষেত্রতো নতুন ব্যৱস্থা প্রয়োগ কৰাৰ সিদ্ধান্তই শিক্ষার্থী আৰু অভিভাৱকৰ মাজত উদ্বেগ সৃষ্টি কৰাৰ লগতে চৰকাৰৰ নীতিৰ যুক্তিযুক্ততাক লৈও প্রশ্নৰ সৃষ্টি কৰিছে।

সম্পূর্ণ খবৰ:
https://newznow.in/news/5091

ৰাজনীতি

BJP-RSSক 'জাতিবাদী পুৰুষতান্ত্রিক' আখ্যা ৰাহুল গান্ধীৰ, অর্ধনাৰীশ্বৰ মূর্তিৰ ছবি শ্বেয়াৰ কৰি সমালোচনা



নতুন দিল্লী, ২২ নৱেম্বৰ: বিজেপি আৰু আৰএছএছক তীব্র সমালোচনা কৰিছে লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে।
পঢ়ক: https://newznow.in/news/5313

দেশ

তেলেংগানা কংগ্রেছত সংঘাত: দলৰ বিধায়কক 'পাগল কুকুৰে কামোৰা' বুলি মুখ্যমন্ত্রী ৰেৱন্তৰ বিতর্কিত মন্তব্য



হায়দৰাবাদ: নিজ দলৰ একাংশ বিধায়কৰ বিৰুদ্ধে তেলেংগানাৰ মুখ্যমন্ত্রী এ. ৰেৱন্ত ৰেড্ডীয়ে কৰা এক বিতর্কিত মন্তব্যই এতিয়া ৰাজ্যখনৰ ৰাজনীতিত তীব্র চাঞ্চল্যৰ সৃষ্টি কৰিছে।
পঢ়ক: https://newznow.in/news/5341

আন্তঃৰাষ্ট্রীয়

ইজৰাইলত চৰকাৰ গঠনৰ তৎপৰতা: নেতানিয়াহুৰ দলক আলোচনালৈ আমন্ত্রণ গাডি আইজেনকটৰ



জেৰুজালেম, ২২ নৱেম্বৰ: ইজৰাইলত নতুন চৰকাৰ গঠনক লৈ ৰাজনৈতিক তৎপৰতা তীব্রতৰ হৈ পৰিছে।
পঢ়ক: https://newznow.in/news/5299

আন্তঃৰাষ্ট্রীয়

বাংলাদেশত পুনৰ ৰাজনৈতিক হিংসা: আৱামী লীগ নেতাৰ ঘৰত অগ্নিসংযোগ, কেইবাখনো জিলাত উত্তেজনা



ঢাকা, ২২ নৱেম্বৰ: বাংলাদেশত পুনৰ ৰাজনৈতিক হিংসাই ভয়াৱহ ৰূপ ধাৰণ কৰিছে।
পঢ়ক: https://newznow.in/news/5295

ভিতৰৰ পাততে

আন্তঃৰাষ্ট্রীয়: দুদিনীয়া ভ্রমণসূচীৰে ভাৰতত উপস্থি...
দেশ: পাকিস্তানী মন্ত্রীক বিৰিয়ানী-কাব...
অসম: নিজম পৰিল নেকি জুবিন অনুৰাগী? মানস...
ৰাজনীতি: ক্রিকেটাৰ যুজবেন্দ্র চাহালৰ বিজেপি...

আন্তঃৰাষ্ট্ৰীয়

দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত নেপালৰ প্ৰধানমন্ত্ৰী বালেন্দ্ৰ শ্বাহ

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩২



নতুন দিল্লী, ২২ নৱেম্বৰ: দুদিনীয়া কাৰ্যসূচীৰে দেওবাৰে ভাৰতত উপস্থিত হয় নেপালৰ প্ৰধানমন্ত্ৰী বালেন্দ্ৰ শ্বাহ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণমৰ্মে ভাৰতলৈ অহা শ্বাহে দুয়োখন দেশৰ মাজত শক্তি সহযোগিতা, অৰ্থনৈতিক সম্পৰ্ক, আন্তঃগাঁথনি উন্নয়ন আৰু সীমান্তৱৰ্তী সংযোগ ব্যৱস্থা সন্দৰ্ভত এক উচ্চপৰ্যায়ৰ বৈঠকত মিলিত হ'ব।

চলিত বৰ্ষৰ মাৰ্চ মাহত প্ৰধানমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰা ৩৬ বছৰীয়া বালেন্দ্ৰ শ্বাহৰ এয়া প্ৰথম দ্বিপাক্ষিক বিদেশ ভ্ৰমণ। নেপাল এয়াৰলাইন্সৰ এখন নিয়মীয়া বাণিজ্যিক বিমানেৰে তেওঁ নতুন দিল্লীত উপস্থিত হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5286

ৰাজনীতি

ক্ৰিকেটাৰ যুজবেন্দ্ৰ চাহালৰ বিজেপিত যোগদান: অ'বিচি মৰ্চাত পালে গুৰুত্বপূৰ্ণ দায়িত্ব

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, পুৱা ১১:৪৩



নতুন দিল্লী: ভাৰতীয় দলৰ তাৰকা ক্ৰিকেটাৰ যুজবেন্দ্ৰ চাহালে শনিবাৰে বিজেপিত যোগদান কৰে। দলত যোগদান কৰাৰ পিছতেই ক্ৰিকেটাৰগৰাকীক এক গুৰুত্বপূৰ্ণ সাংগঠনিক দায়িত্ব প্ৰদান কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5201

অসম

নিজম পৰিল নেকি জুবিন অনু�ৰাগী? মানস ৰবীনৰ আহ্বানৰ প্ৰতি আশানুৰূপ সঁহাৰি নাপালে অনুষ্ঠানটোৱে

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৪৫



গুৱাহাটী, ২২ নৱেম্বৰ:

নিজম পৰিল নেকি জুবিন অনুৰাগী? মানস ৰবীনৰ আহ্বানৰ প্ৰতি আশানুৰূপ সঁহাৰি নাপালে অনুষ্ঠানটোৱে ।জুবিন গাৰ্গৰ স্মৃতি আৰু ন্যায়ৰ দাবীক লৈ কণ্ঠশিল্পী মানস ৰবীনে কৰা আহ্বানৰ পাছতো খানাপাৰাত অনুষ্ঠিত 'জুবিন দাৰ বাবে এদিন' কাৰ্যসূচীত দেখা নগ'ল আশানুৰূপ জনসমাগম।

প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ স্মৃতি আৰু ন্যায়ৰ দাবীক লৈ কণ্ঠশিল্পী মানস ৰবীনে কৰা আহ্বানৰ পাছতো গুৱাহাটীৰ খানাপাৰাত অনুষ্ঠিত 'জুবিন দাৰ বাবে এদিন' কাৰ্যসূচীত আশানুৰূপ জনসমাগম দেখা নগ'ল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5228

দেশ

পুনেত পৌৰ নিগমৰ উচ্ছেদ অভিযান: একেৰাহে চতুৰ্থ দিনাও অবৈধ নিৰ্মাণৰ বিৰুদ্ধে ব্যৱস্থা

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, পুৱা ৯:৩৮



পুনে: মহাৰাষ্ট্ৰৰ পুনে চহৰত পুনে পৌৰ নিগমে অবৈধ বেদখলৰ বিৰুদ্ধে চলোৱা উচ্ছেদ অভিযান একেৰাহে চতুৰ্থ দিনাও অব্যাহত আছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5105

দেশ

পাকিস্তানী মন্ত্রীক বিৰিয়ানী-কাবাব খুওৱাক লৈ কেন্দ্রীয় চৰকাৰক সমালোচনা সুপ্রিয়া শ্রীনাটেৰ

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, পুৱা ১১:১২



নতুন দিল্লী: ভাৰতত অনুষ্ঠিত ছাংহাই ক'অপাৰেচন অর্গেনাইজেশ্বন চমুকৈ এছচিঅ'ৰ 'চিভিলাইজেচনেল ডায়লগ' শীর্ষক অনুষ্ঠানত পাকিস্তানৰ এগৰাকী মন্ত্রীক আমন্ত্রণ জনোৱাক লৈ কেন্দ্রীয় চৰকাৰক তীব্র সমালোচনা কৰিছে কংগ্রেছ নেত্রী সুপ্রিয়া শ্রীনাটেই। প্রধানমন্ত্রী নৰেন্দ্র মোদী নেতৃত্বাধীন কেন্দ্রীয় চৰকাৰৰ এই সিদ্ধান্তক লৈ তেওঁ প্রশ্ন উত্থাপন কৰে।

কংগ্রেছ নেত্রীগৰাকীয়ে অভিযোগ কৰি কয় যে পাকিস্তানী মন্ত্রীগৰাকীক ভাৰতত বিৰিয়ানী, কাবাব আৰু পায়সেৰে আপ্যায়ন কৰা হৈছে।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:

https://newznow.in/news/5139

দেশ

গুজৰাটত ভয়ংকৰ পথ দুর্ঘটনা: সেনা জোৱানৰ পৰিয়ালৰ তিনিটা শিশুকে ধৰি ৭ জনৰ কৰুণ মৃত্যু

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, পুৱা ১০:৫৮



ভুজ: গুজৰাটৰ কচ্ছ জিলাত সংঘটিত এক শোকাৱহ পথ দুর্ঘটনাত সেনা জোৱানৰ পৰিয়ালৰ তিনিটা শিশুকে ধৰি সাতগৰাকী লোকৰ কৰুণ মৃত্যু ঘটে। এখন দ্রুতবেগী ট্রাকৰ সৈতে গাড়ীৰ মুখামুখি সংঘর্ষৰ ফলত এই দুর্ঘটনাটো সংঘটিত হয়।

আৰক্ষীয়ে জনোৱা মতে, শনিবাৰে নিশা প্রায় ১০ বজাত ৰাষ্ট্রীয় ঘাইপথত এই ভয়াৱহ ঘটনাটো ঘটে। কচ্ছৰ ৰণ ভ্রমণ সামৰি পৰিয়ালকেইটা এখন গাড়ীৰে ভুজ চহৰলৈ উভতি আহিছিল। সেই সময়তে তীব্র বেগেৰে অহা ট্রাকখনে তেওঁলোকৰ বাহনখনত প্রচণ্ড জোৰে খুন্দা মাৰে।

সংঘর্ষৰ ফলত চাৰিচকীয়া বাহনখন সম্পূর্ণৰূপে চূর্ণ-বিচূর্ণ হৈ পৰে আৰু গাড়ীখনত থকা সাতগৰাকী আৰোহীৰ আটাইকেইজনৰে থিতাতে মৃত্যু হয়।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:

https://newznow.in/news/5113

দেশ

চাওমিন খাই ১১৮টি শিশুসহ ১৩০জন লোক অসুস্থ

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, পুৱা ১১:৩৭



বালাঘাট: মধ্যপ্রদেশৰ বালাঘাট জিলাত এখন গাঁৱৰ মেলাত চাওমিন খাই খাদ্যবিষক্রিয়াৰ সন্দেহত ১১৮টি শিশুসহ মুঠ ১৩০জন লোক চিকিৎসালয়ত ভর্তি হ'বলগীয়া হৈছে। শনিবাৰে সন্ধিয়া হিৰি গাঁৱত অনুষ্ঠিত মেলাখনত চাওমিন খোৱাৰ কিছু সময় পিছতে লোকসকলৰ তীব্র পেটৰ বিষ আৰম্ভ হয়।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:

https://newznow.in/news/5194

ৰাজনীতি

বিজেপিৰ অ'বিচি মর্চাৰ ৰাষ্ট্রীয় উপ-সভাপতি হিচাপে নিযুক্তি সাংসদ যোগেন মোহনক

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৩



গুৱাহাটী: ভাৰতীয় জনতা পার্টিৰ অ'বিচি মর্চাৰ ৰাষ্ট্রীয় উপ-সভাপতি হিচাপে নিযুক্তি লাভ কৰিছে সাংসদ যোগেন মোহনে।

বাকী অংশ ৱেবছাইটত

সম্পূর্ণ খবৰ:

https://newznow.in/news/5276

দেশ

মিঠাই কাৰখানাত ভয়ংকৰ অগ্নিকাণ্ড: ৩জনৰ মৃত্যু, ৩৬জন সন্ধানহীন

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, পুৱা ১১:৪৬



২২ নৱেম্বৰ, ২০২৬

ইণ্ডোনেছিয়াৰ বাণ্টেন প্ৰদেশৰ এখন মিঠাই কাৰখানাত সংঘটিত ভয়ংকৰ অগ্নিকাণ্ডত কমেও তিনিজন লোকৰ মৃত্যু। ঘটনাটোত আন ৩৬জন শ্ৰমিক সন্ধানহীন হৈ থকাৰ বিপৰীতে উদ্ধাৰকাৰীয়ে ১৫জন লোকক জীৱন্তে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে।

ৰাজধানী জাকার্টাৰ পৰা প্ৰায় ৫০ কিলোমিটাৰ পশ্চিমে অৱস্থিত চেৰাং জিলাৰ চিকাণ্ডে অঞ্চলৰ পিটি ফনুছা আগুং মুলিয়া নামৰ কাৰখানাটোত শনিবাৰে বিয়লি প্ৰায় ৫ বজাত এই জুই লাগে। কাৰখানাটোত জনপ্ৰিয় 'মিল্কিটা' ব্ৰেণ্ডৰ গাখীৰৰ মিঠাইকে ধৰি বিভিন্ন লজেন্স প্ৰস্তুত কৰা হৈছিল।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5198

দেশ

আইতাকৰ অন্ত্যেষ্টিক্ৰিয়াত অংশ লৈ পুনৰ ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰলৈ অমৃতপাল সিং

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩৩



ডিব্ৰুগড়, ২২ নৱেম্বৰ: আইতাকৰ অন্ত্যেষ্টিক্ৰিয়াত অংশগ্ৰহণৰ অন্তত পঞ্জাৱৰ খডুৰ চাহিব সমষ্টিৰ সাংসদ তথা 'ৱাৰিছ পঞ্জাব দে'ৰ মুৰব্বী অমৃতপাল সিঙক পুনৰ ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰলৈ অনা হৈছে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5256

দেশ

নয়ডাত বায়ু প্ৰদূষণৰ ভয়াৱহ ৰূপ, দিল্লীৰ তুলনাত নয়দা আৰু গ্ৰেটাৰ নয়দাত বায়ু প্ৰদূষণৰ মাত্ৰা (AQI) অধিক বৃদ্ধি

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:০৪



নয়ডা, ২২ নৱেম্বৰ:

দিল্লীকো চেৰ পেলাই নয়দাত বায়ু প্ৰদূষণৰ ভয়ংকৰ ৰূপ, AQI ৪৩১ । দিল্লীকো চেৰ পেলাই নয়ডাত বায়ু প্ৰদূষণে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। ২২ নৱেম্বৰৰ পুৱা নয়ডাত বায়ুৰ গুণাগুণ সূচাংক (একিউআই) ৪৩১লৈ বৃদ্ধি পোৱাৰ ফলত এক উদ্বেগজনক পৰিস্থিতিৰ সৃষ্টি হৈছে। চহৰখনৰ বায়ুৰ মান বৰ্তমান 'অতি গুৰুতৰ' শ্ৰেণীত উপনীত হৈছে।

এই সময়ছোৱাত দিল্লীৰ গড় একিউআই ২৩০ৰ পৰা ২৩৭ৰ ভিতৰত আছে যদিও ৰাজধানী চহৰখনৰ কিছুমান অঞ্চলত এই সূচাংকই ৩০০ অতিক্ৰম কৰিছে। একে সময়তে গ্ৰেটাৰ নয়ডাতো বায়ুৰ মান 'বেয়া'ৰ পৰা 'অতি বেয়া' শ্ৰেণীৰ মাজত আছে।

প্ৰাপ্ত তথ্য অনুসৰি, ২১ নৱেম্বৰত নয়ডাৰ ছেক্টৰ-৬২ত একিউআই ৩৪৩ ৰেকৰ্ড কৰা হৈছিল। কিন্তু তাৰ পিছদিনাই এই সূচাংক বৃদ্ধি পাই ৪৩১ হয়গৈ। পথৰ ধূলি, নিৰ্মাণকাৰ্য, উদ্যোগৰ ধোঁৱা আৰু যান-বাহনৰ পৰা ওলোৱা ধোঁৱাক এই প্ৰদূষণ বৃদ্ধিৰ মূল কাৰণ হিচাপে চিহ্নিত কৰা হৈছে। ইয়াৰ উপৰি বতাহৰ গতিবেগ হ্ৰাস আৰু তাপমাত্ৰা কমি অহাৰ ফলত প্ৰদূষিত কণাবোৰ বায়ুমণ্ডলৰ নিম্নস্তৰত আবদ্ধ হৈ পৰিছে।

প্ৰদূষণ নিয়ন্ত্ৰণৰ বাবে দিল্লী-এনচিআৰ অঞ্চলত 'গ্ৰেপ' (জিআৰএপি)-ৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ নিষেধাজ্ঞা বাহাল ৰখা হৈছে। ইয়াৰ অধীনত নিৰ্মাণকাৰ্যৰ ধূলি নিয়ন্ত্ৰণ, ডিজেল জেনেৰেটৰৰ ব্যৱহাৰত সীমাবদ্ধতা, মুকলি ঠাইত কয়লা, খৰি আৰু আৱৰ্জনা জ্বলোৱাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। লগতে বৈধ প্ৰদূষণ নিয়ন্ত্ৰণ প্ৰমাণপত্ৰ (পিইউচি) নথকা বাহনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়া হৈছে।


ইপিনে বিশেষজ্ঞসকলে এই সময়ছোৱাত অতি প্ৰয়োজন নহ'লে বাহিৰলৈ নোলাবলৈ পৰামৰ্শ দিছে।

বাকী অংশ ৰেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5207

ৰাজনীতি

বিজেপিৰ ৰাজ্যসভাৰ সাংসদ ৰামৰাও ৱাডকুটেৰ দেহাৱসান, প্ৰধানমন্ত্ৰীৰ শোক প্ৰকাশ

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:১৯



নতুন দিল্লী: বিজেপিৰ ৰাজ্যসভাৰ সাংসদ তথা মহাৰাষ্ট্ৰৰ জ্যেষ্ঠ ৰাজনীতিক ৰামৰাও সখাৰাম ৱাডকুটেৰ ৭২ বছৰ বয়সত দেহাৱসান ঘটিছে। শনিবাৰে নিশা নতুন দিল্লীৰ এইমছত চিকিৎসাধীন অৱস্থাত হৃদৰোগত আক্ৰান্ত হৈ তেওঁ শেষ নিশ্বাস ত্যাগ কৰে।

পৰিয়ালৰ সূত্ৰই জনোৱা মতে, কাহৰ সমস্যাৰ বাবে যোৱা ২০ নৱেম্বৰত তেওঁক এইমছত ভৰ্তি কৰোৱা হৈছিল। শনিবাৰে সন্ধিয়া প্ৰায় ৬ বজাত হৃদৰোগত আক্ৰান্ত হোৱাৰ পিছত নিশা প্ৰায় ১১:৪৫ বজাত চিকিৎসাধীন অৱস্থাতে তেওঁৰ মৃত্যু হয়।

মহাৰাষ্ট্ৰৰ পাৰভানী জিলাৰ বাসিন্দা ৱাডকুটে চলিত বৰ্ষৰ এপ্ৰিল মাহত ৰাজ্যসভালৈ নিৰ্বাচিত হৈছিল। ইয়াৰ পূৰ্বে ২০১৪ চনৰ জুনৰ পৰা ২০১৯ চনৰ অক্টোবৰলৈ তেওঁ মহাৰাষ্ট্ৰ বিধান পৰিষদৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। বিজেপিৰ হিংগোলী জিলাৰ সংগঠনতো কেইবাটাও গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰাৰ লগতে তেওঁ ধনগৰ সম্প্ৰদায়ৰ কল্যাণৰ বাবে কাম কৰিছিল।

নেতাগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। সামাজিক ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদান আৰু দৰিদ্ৰ তথা বঞ্চিত লোকসকলৰ সেৱাৰ প্ৰতি থকা তেওঁৰ দায়বদ্ধতা স্মৰণীয় হৈ থাকিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। মহাৰাষ্ট্ৰত বিজেপিৰ সংগঠন শক্তিশালী কৰাৰ ক্ষেত্ৰতো তেওঁৰ অৱদানৰ কথা মোদীয়ে স্মৰণ কৰে।

মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছে শোক প্ৰকাশ কৰি ৱাডকুটেক এগৰাকী সৰল আৰু নিষ্ঠাৱান ৰাজনৈতিক ব্যক্তিত্ব হিচাপে অভিহিত কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5252

প্ৰযুক্তি

৬০০ কোটি টকা ব্যয়েৰে নিজা উপগ্ৰহ ব্যৱস্থা গঢ়াৰ পৰিকল্পনা অসম চৰকাৰৰ

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৭



গুৱাহাটী: মহাকাশ প্ৰযুক্তিৰ ব্যৱহাৰেৰে প্ৰশাসনিক ব্যৱস্থা, দুৰ্যোগ ব্যৱস্থাপনা আৰু প্ৰাকৃতিক সম্পদৰ নিৰীক্ষণ অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে ৬০০ কোটি টকা ব্যয়েৰে নিজা উপগ্ৰহ ব্যৱস্থা গঢ়ি তোলাৰ পৰিকল্পনা কৰিছে ৰাজ্য চৰকাৰে। 'আছামছেট আৰ্থ অবজাৰ্ভেচন চেটেলাইট কনষ্টেলেচন' নামৰ এই প্ৰকল্পৰ জৰিয়তে উপগ্ৰহৰ তথ্য ক্ৰয়ৰ নামত চৰকাৰৰ ব্যয় প্ৰায় ৬৬ শতাংশ হ্ৰাস কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম এক্সৰ জৰিয়তে এই প্ৰস্তাৱিত প্ৰকল্পৰ কথা সদৰী কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5280

ৰাজনীতি

SEBIৰ নিয়ম সলনিৰ প্ৰস্তাৱক লৈ কংগ্ৰেছৰ বিৰোধিতা, বিদেশী পুঁজিৰ স্বচ্ছতাক লৈ শংকা

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩৩



নতুন দিল্লী, ২২ নৱেম্বৰ: বিদেশী পৰ্টফ'লিঅ' বিনিয়োগকাৰী চমুকৈ এফপিআইৰ বাবে প্ৰযোজ্য অতিৰিক্ত তথ্য প্ৰকাশৰ নিয়ম পুনৰীক্ষণ কৰাৰ বাবে ছিকিউৰিটিজ এণ্ড এক্সচেঞ্জ ব'ৰ্ড অৱ ইণ্ডিয়া চমুকৈ ছেবীয়ে আগবঢ়োৱা প্ৰস্তাৱৰ বিৰোধিতা কৰ...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5291

ব্যৱসায়-বাণিজ্য

পশ্চিম এছিয়াৰ সংঘাতৰ প্ৰভাৱ: অক্টোবৰত ভাৰতৰ তেল আৰু গেছ আমদানি ব্যয় ৬০ শতাংশ বৃদ্ধি

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪৮



নতুন দিল্লী, ২২ নৱেম্বৰ: পশ্চিম এছিয়াৰ সংঘাত আৰু হৰমুজ প্ৰণালীৰে শক্তি পৰিবহণত সৃষ্টি হোৱা বাধাৰ ফলত ভাৰতৰ শক্তি আমদানিয়ে তীব্ৰ প্ৰত্যাহ্বানৰ সম্মুখীন হৈছে। ২০২৬ চনৰ অক্টোবৰ মাহত দেশৰ নিকা তেল আৰু গেছ আমদানিৰ ব্যয় বিগত বৰ্ষৰ একে সময়ছোৱাৰ তুলনাত ৬০ শতাংশ বৃদ্ধি পাই ১৬ বিলিয়ন মাৰ্কিন ডলাৰত উপনীত হৈছে। পেট্ৰ'লিয়াম প্লেনিং এণ্ড এনালাইচিছ চেল চমুকৈ পিপিএচিৰ শেহতীয়া তথ্যত এই কথা প্ৰকাশ পাইছে।

২০২৫ চনৰ অক্টোবৰ মাহত দেশখনৰ নিকা তেল আৰু গেছ আমদানি ব্যয় আছিল ১০ বিলিয়ন ডলাৰ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5303

অসম

গৌৰৱ গগৈৰ অভিযোগ ভিত্তিহীন আৰু হাস্যকৰ: ৰাজ্যিক বিজেপি

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫০



গুৱাহাটী, ২২ নৱেম্বৰ: অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে বিজেপি দলৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগক ভিত্তিহীন আৰু হাস্যকৰ বুলি আখ্যা দিছে ৰাজ্যিক বিজেপিয়ে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5306

অসম

জুবিনক্ষেত্ৰত সংৰক্ষণৰ বাবে জুবিন গাৰ্গৰ প্ৰিয় ৰেঞ্জ ৰ'ভাৰ বাহনখন ওভতাই অনাৰ পদক্ষেপ বন্ধুমহলৰ

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, আবেলি ৪:১০



গুৱাহাটী, ২২ নৱেম্বৰ:

লাখ লাখ জুবিন অনুৰাগীৰ বাবে ভাল খবৰ। জুবিনক্ষেত্ৰত সংৰক্ষিত হ'ব প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰেঞ্জ ৰ'ভাৰ বাহন। প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ স্মৃতিবিজড়িত তেওঁৰ প্ৰিয় ৰেঞ্জ ৰ'ভাৰ বাহনখন পুনৰ ক্ৰয় কৰি সোণাপুৰৰ প্ৰস্তাৱিত জুবিনক্ষেত্ৰত সংৰক্ষণৰ উদ্যোগ লৈছে শিল্পীগৰাকীৰ ঘনিষ্ঠ বন্ধুমহলে। এএছ ০১ জিএ ৯৯৯৯ নম্বৰৰ ৰেঞ্জ ৰ'ভাৰ ভিলাৰ বাহনখন ঘূৰাই অনাৰ বাবে শনিবাৰে আনুষ্ঠানিকভাৱে পদক্ষেপ গ্ৰহণ কৰে শিল্পীগৰাকীৰ চাৰিজন ঘনিষ্ঠ বন্ধুৱে।

শিল্পীগৰাকীৰ অন্তৰংগ বন্ধু সৌমিক দত্ত, মানস ভাগৱতী, পৱিত্ৰ ৰাভা আৰু বংকিম ৰয় মেধিয়ে বাহনখনৰ বৰ...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5311

অসম

জাগুনৰ চন্দ্ৰপুৰত চাঞ্চল্য! ১৩ দিন ধৰি সন্ধানহীন দুই যুৱক, আলফা (স্বা)ত যোগদানৰ সন্দেহ

শ্যাম যাদৱ | ২২ নৱেম্বৰ ২০২৬, নিশা ৭:৪৫



তিনিচুকীয়া জিলাৰ জাগুনৰ চন্দ্ৰপুৰ গাঁৱৰ দুজন যুৱক বিগত ১৩ দিন ধৰি সন্ধানহীন হৈ থকাক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5349

দেশ

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাবেই দাম কমিল সোণৰ!

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, আবেলি ৫:৫৮



লক্ষ্ণৌ, ২২ নৱেম্বৰ:

দেশবাসীয়ে সোণ ক্ৰয় হ্ৰাস কৰাৰ বাবেই মূল্য কমিছে: প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী।

তেওঁৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই দেশবাসীয়ে সোণ ক্ৰয় হ্ৰাস কৰাৰ বাবেই দেশত সোণৰ দাম কমিছে বুলি দাবী কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। যোৱা ২১ নৱেম্বৰত উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত অনুষ্ঠিত এক কাৰ্যসূচীত অংশ লৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰা অনুসৰি, যোৱা মে' মাহত তেওঁ অতি প্ৰয়োজন নহ'লে দেশৰ জনসাধাৰণক এবছৰলৈ সোণ ক্ৰয় নকৰিবলৈ আহ্বান জনাইছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5345

ৰাজনীতি

নিবিদাৰ নামত ১ কোটি টকা প্ৰৱঞ্চনাৰ অভিযোগ: বিজেপি বিধায়কৰ সহযোগী ৰিভা লামা গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, নিশা ৭:২৭



শিলিগুৰি, ২২ নৱেম্বৰ: ছেভক-ৰংপো ৰে'ল প্ৰকল্পৰ কামত অংশীদাৰিত্ব দিয়াৰ নামত প্ৰায় ১ কোটি টকা প্ৰৱঞ্চনা কৰাৰ অভিযোগত পশ্চিমবংগৰ বিজেপি বিধায়ক নোমান ৰায়ৰ ঘনিষ্ঠ সহযোগী ৰিভা লামাক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5357

অসম

মেডাম টুছোদ জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি স্থাপনৰ লক্ষ্যৰে #ZubeenGargStatueInMadameTussauds শীৰ্ষক বিশেষ অভিযান

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, আবেলি ৫:১৫





খানাপাৰা, ২২ নৱেম্বৰ: বিশ্ববিখ্যাত মেডাম টুছো মিউজিয়ামত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ মমৰ প্ৰতিমূৰ্তি স্থাপনৰ বাবে এক বিশেষ প্ৰচেষ্টা হাতত লৈছে সংগীতশিল্পী মানস ৰবীনে। এই উদ্দেশ্যে সামাজিক মাধ্যমত '#ZubeenGargStatueInMadameTussauds' শীৰ্ষক এক হেজটেগ অভিযান আৰম্ভ কৰা হৈছে। এই অভিযানে ১০ লাখ বা এক মিলিয়নৰ সীমা অতিক্ৰম কৰিলে মেডাম টুছো কৰ্তৃপক্ষই জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি স্থাপনৰ প্ৰস্তাৱ বিবেচনা কৰিব বুলি জানিব পৰা গৈছে।


খানাপাৰাত দেওবাৰে অনুষ্ঠিত 'জুবিনদাৰ বাবে এদিন' শীৰ্ষক এক ৰাজহুৱা সভাত অংশ লৈ মানস ৰবীনে এই কথা ঘো...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5329

অসম

২২ বছৰ বয়সতে ইছৰ'ত বিজ্ঞানীৰ পদ লাভ লখিমপুৰৰ সত্যজিৎ কামানৰ

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১০



লখিমপুৰ: ভাৰতীয় মহাকাশ গৱেষণা সংস্থা চমুকৈ ইছৰ'ত বিজ্ঞানীৰ পদ লাভ কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে লখিমপুৰ জিলাৰ প্ৰতিভাৱান যুৱক সত্যজিৎ কামানে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5272

অসম

উচ্ছেদৰ নামতো ছিণ্ডিকেট চলিছে: হিমন্ত বিশ্ব শর্মা আৰু আজমলক তীব্ৰ আক্ৰমণ ৰকিবুল হুছেইনৰ

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, আবেলি ৫:২৬



২২ নম্বেবৰ, ২০২৬

ৰাজ্যত উচ্ছেদৰ নামতো ছিণ্ডিকেট চলি আছে। মুখ্যমন্ত্রীয়ে উচ্ছেদ চলায় আৰু তাৰ পাছত আজমলে স্মাৰক-পত্ৰ প্ৰদান কৰিবলৈ আহে ।

ৰাজ্যত অব্যাহত থকা উচ্ছেদ অভিযানক লৈ মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মা আৰু এআইইউডিএফৰ মুৰব্বী বদৰুদ্দিন আজমলক তীব্ৰ আক্ৰমণ কৰিছে ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে। ৰাজ্যখনত এতিয়া উচ্ছেদৰ নামতো ছিণ্ডিকেট চলি আছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে জ্যেষ্ঠ কংগ্ৰেছ সাংসদগৰাকীয়ে।

ৰকিবুল হুছেইনে অভিযোগ কৰা অনুসৰি মুখ্যমন্ত্রীয়ে উচ্ছেদ চলায় আৰু তাৰ পাছত আজমলে স্মাৰক-পত্ৰ প্ৰদান কৰি ৰাজনীতি কৰিবলৈ ওলাই আহে। স্মাৰক-পত্ৰত থকা প্ৰকৃত বিষয়সমূহ উত্থাপন কৰাৰ পৰিৱৰ্তে আজমলে গৌৰৱ গগৈ আৰু তেওঁকহে গালি-গালাজ পাৰে বুলি উল্লেখ কৰি সাংসদগৰাকীয়ে কয় যে মুখ্যমন্ত্রীয়ে যি শিকাই দিয়ে, সংবাদ মাধ্যমৰ আগত আজমলে ঠিক সেই কথাই কয়। আজমলৰ ব্যৱসায়-বাণিজ্যৰ সুৰক্ষা আৰু মুখ্যমন্ত্রীৰ সৈতে থকা গোপন বুজাবুজিৰ বাবেই শেহতীয়া লোকসভা নিৰ্বাচনত ৰাইজে তেওঁক ১০ লাখৰো অধিক ভোটৰ ব্যৱধানত পৰাস্ত কৰিলে বুলিও হুছেইনে কটাক্ষ কৰে।

ধুবুৰীত উচ্ছেদৰ সন্মুখীন হোৱা লোকসকলৰ ভূমিৰ অধিকাৰক লৈ প্ৰশ্ন তুলি ৰকিবুল হুছেইনে কয় যে আজমলে একেৰাহে ১৫ বছৰ ধৰি ধুবুৰীৰ সাংসদ হিচাপে কার্যনির্বাহ কৰাৰ লগতে উচ্ছেদ হোৱা সমষ্টিবোৰত দলটোৰ বিধায়ক থকা সত্ত্বেও স্থানীয় লোকসকলৰ দখলীকৃত চৰকাৰী মাটিৰ ম্যাদীকৰণৰ বাবে চৰকাৰৰ ওচৰত কোনো আবেদন দাখিল নকৰিলে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5337

অসম

২৬ নৱেম্বৰত কংগ্ৰেছৰ দেশজোৰা 'সংবিধান ৰক্ষা পদযাত্ৰা', গুৱাহাটীতো ব্যাপক প্ৰস্তুতি

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, নিশা ৭:০৫



গুৱাহাটী, ২২ নৱেম্বৰ: লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ নেতৃত্বত চলি থকা 'ভোট বচাওক, দেশ বচাওক' অভিযানৰ অংশ হিচাপে অহা ২৬ নৱেম্বৰ অর্থাৎ সংবিধান দিৱসৰ দিনা সমগ্ৰ দেশৰ লগতে অসমতো কংগ্ৰেছে 'সংবিধান ৰক্ষা পদযাত্ৰা' কার্যসূচী ৰূপায়ণ কৰিব। গুৱাহাটীৰ ৰাজীৰ ভৱনত আয়োজিত এক সংবাদমেলত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সহঃতত্ত্বাৱধায়ক মনোজ চৌহানে এই কার্যসূচীৰ বিষয়ে সদৰী কৰে।

সংবাদমেলত মনোজ চৌহানে কয় যে দেশৰ গণতন্ত্ৰ আৰু সংবিধান ৰক্ষাৰ স্বার্থত কংগ্ৰেছ আৰু 'ইণ্ডিয়া' মিত্ৰজোঁটৰ সহযোগী দলসমূহে ধাৰাবাহিক প্ৰতিবাদ সাব্যস্ত কৰি আহিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5353

অসম

গহপু�ৰৰ মিছামাৰীত দুদিনীয়া কার্যসূচীৰে অষ্টম বার্ষিক তিহাৰ সমাৰোহ

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৪৬



গহপুৰ: গোর্খা সম্প্রদায়ৰ পৰম্পৰা, লোক-সংস্কৃতি আৰু ঐতিহ্যক জীয়াই ৰখাৰ উদ্দেশ্যেৰে গহপুৰৰ মিছামাৰীস্থিত ভানু ভৱনৰ প্ৰাংগণত অষ্টম বার্ষিক তিহাৰ সমাৰোহ অনুষ্ঠিত হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5268

অসম

সোণতলীত ৪২ কোটি টকীয়া 'অসম মালা ৩.০' প্ৰকল্পৰ আধাৰশিলা স্থাপন; গুমী-গৰৈমাৰীৰ পৰা সোণতলী-নগৰবেৰা মথাউৰি পথ হ'ব পকী।

মীৰ মুছাৰোফ হুছাইন | ২২ নৱেম্বৰ ২০২৬, আবেলি ৬:০৪



দক্ষিণ কামৰূপৰ যাতায়াত ব্যৱস্থাৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰি আজি সোণতলীত এক বৃহৎ পথ নিৰ্মাণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়। 'অসম মালা ৩.০' (Asom Mala 3.0) আঁচনিৰ অধীনত প্ৰায় ৪২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া গুমীৰ পৰা নগৰবেৰালৈ যোৱা মথাউৰি পথটোৰ পকীকৰণ কামৰ আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰে ছমৰীয়া সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ আৰু কামৰূপ জিলাৰ আয়ুক্ত (উপায়ুক্ত) দেৱ কুমাৰ মিশ্ৰই।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5319

অসম

কাঠ কঢ়িওৱা বাহনৰ চালকৰ পৰা ধন দাবীৰ অভিযোগত মৰিগাঁৱৰ বিশ্বজ্যোতি নাথ গ্ৰেপ্তাৰ

নাছিদুৰ ৰহমান | ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৪০



মৰিগাঁও: কাঠ কঢ়িওৱা এখন বাহনৰ চালকৰ পৰা ধন দাবী কৰাৰ অভিযোগত মৰিগাঁৱৰ বিশ্বজ্যোতি নাথক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। মিকিৰভেটা থানাত ৰুজু হোৱা ১৯৯/২৬ নম্বৰৰ গোচৰৰ ভিত্তিত বিশ্বজ্যোতি নাথ আৰু আবিদ আহমেদক গ্ৰেপ্তাৰ কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5260

অসম

ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (আৰ এছ এছ)ৰ শতবৰ্ষ সম্পূৰ্ণ হোৱা উপলক্ষে ডুমডুমাত এক বিশাল পথ সঞ্চালনৰ আয়োজন কৰা হয়।

সুৰজিৎ চৌধুৰী | ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩৮



ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (আৰ এছ এছ)ৰ শতবৰ্ষ সম্পূৰ্ণ হোৱা উপলক্ষে ডুমডুমাত এক বিশাল পথ সঞ্চালনৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীত ৩০০ৰো অধিক স্বয়ংসেৱকে শৃংখলাবদ্ধভাৱে অংশগ্ৰহণ কৰে। ডুমডুমাৰ উচামাটিস্থিত গ্ৰেণ্ড ইন হোটেলৰ পৰা পথ সঞ্চালন কাৰ্যসূচীৰ শুভাৰম্ভ হয়। ইয়াৰ পিছত স্বয়ংসেৱকসকলে নগৰৰ বিভিন্ন পথেৰে ডুমডুমা চহৰ পৰিভ্ৰমণ কৰি নগৰ খেলপথাৰত উপস্থিত হয়। তাতেই এই পথ সঞ্চালন কাৰ্যসূচীৰ সামৰণি পৰে।

এই কাৰ্যসূচীত প্ৰান্ত বৌদ্ধিক প্ৰমুখ তথা ব্যৱস্থা প্ৰমুখ মহেশ সিংঘল, বিভাগ বৌদ্ধিক প্ৰমুখ ৰঘুনন্দন শৰ্মা, বিভাগ প্ৰচাৰক সুভাষ যোশী, ডিব্ৰুগড় ব...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5243

অসম

উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ নিৰ্মাণৰত ভৱনৰ পৰা পৰি গুৰুতৰভাৱে আহত শ্ৰমিক

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:১৪



উত্তৰ গুৱাহাটী: উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত নিশা এক শিহৰণকাৰী ঘটনা সংঘটিত হয়। মহাবিদ্যালয়খনৰ এটা নিৰ্মাণৰত পাঁচ মহলীয়া অট্টালিকাৰ পৰা তললৈ সৰি পৰি এজন শ্ৰমিক গুৰুতৰভাৱে আহত হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5246

স্বাস্থ্য

উত্তৰ গুৱাহাটীত প্ৰাকৃতিক প্ৰসৱ সম্পৰ্কে সজাগতা সমদল: অংশ ল'লে ৩০০ শিক্ষাৰ্থী আৰু শিক্ষকে

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:১২



উত্তৰ গুৱাহাটী: প্ৰাকৃতিকভাৱে সন্তান প্ৰসৱ সন্দৰ্ভত সজাগতা সৃষ্টিৰ লক্ষ্যৰে উত্তৰ গুৱাহাটীত এক সজাগতামূলক সমদল বাহিৰ কৰা হয়। ছ'চাইটি অৱ মিডৱাইভছ, ইণ্ডিয়াৰ ৰাষ্ট্ৰীয় পদক্ষেপৰ সৈতে সংগতি ৰাখি এছিয়ান ইনষ্টিটিউট অৱ নাৰ্ছিং এডুকেশ্যনে (আইনে) এই কাৰ্যসূচীৰ আয়োজন কৰে।

উত্তৰ গুৱাহাটীস্থিত এন আৰ চি চৌহদৰ পৰা উত্তৰ গুৱাহাটী মহাবিদ্যালয়লৈ এই সজাগতা সমদল উলিওৱা হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5240

অসম

ডিগবৈত ভাগৱত বাখ্যা অনুষ্ঠানৰ আয়োজন

বিজয় সূত্ৰধৰ | ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:০০



ডিগবৈ ২ নং গোলাই নামঘৰত অহা ইং ২৪ নৱেম্বৰত ৰাসলীলা উপলক্ষ্যে ভাগৱত বাখ্যানুষ্ঠানৰ আয়োজন কৰা হৈছে। পুৱা নামাচায্য অভিজিত দুৱৰাই নাম-প্ৰসংগ কৰাৰ পাছতেই আই অ'চি বিষয়া ৰাণমণি মহন্তই ভাগৱত বাখ্যানুষ্ঠান উদ্বোধন কৰিব। ভাগৱত বাখ্যা কৰিব বিশ্বনাথ চাৰিআলিৰ বিনীত বৰাই আৰু পাঠ কৰিব থানুকৃষ্ণ শইকীয়াই। অনুষ্ঠানলৈ ৰাইজক নিমন্ত্ৰণ জনাইছে নামঘৰ পৰিচালনা সমিতিৰ সভাপতি দেৱ গগৈ আৰু সম্পাদক অমৃত দত্তই।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5206

অসম

অসমত দক্ষতা বিকাশৰ বাবে ৪ হাজাৰ কোটি টকাৰো অধিক বিনিয়োগ, ৭৭খন কাৰিকৰী প্ৰতিষ্ঠানৰ আধুনিকীকৰণ

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫৭



গুৱাহাটী: অসমত দক্ষতা বিকাশ আৰু কাৰিকৰী শিক্ষাৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে ৪,০০০ কোটি টকাৰো অধিক বিনিয়োগৰ কথা ঘোষণা কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ৰাজ্যখনৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান (আইটিআই) আৰু অন্যান্য কাৰিকৰী শিক্ষানুষ্ঠানসমূহক আধুনিক প্ৰযুক্তিৰ প্ৰশিক্ষণ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে চৰকাৰে এই পৰিকল্পনা হাতত লৈছে।

মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি, টাটা টেকন'লজিছ আৰু ২০টাতকৈও অধিক আন্তঃৰাষ্ট্ৰীয় অৰিজিনেল ইকুইপমেণ্ট মেনুফেকচাৰাৰ (অ'ইএম)-ৰ সহযোগত ২,৩৯০ কোটি টকা ব্যয়ৰে ৭৭খন কাৰিকৰী প্ৰতিষ্ঠানৰ আধুনিকীকৰণ কৰা হ'ব। ইয়াৰ ভিতৰত ৪৩খন আইটিআই আৰু ৩৪খন পলিটেকনিক প্ৰতিষ্ঠান অন্তৰ্ভুক্ত আছে। এই প্ৰতিষ্ঠানসমূহত বৈদ্যুতিক বাহন, ঔদ্যোগিক ৰবট, থ্ৰী-ডি প্ৰিণ্টিং, ইণ্টাৰনেট অৱ থিংছ (আইঅ'টি) আৰু কৃত্ৰিম বুদ্ধিমত্তাভিত্তিক উৎপাদন প্ৰযুক্তিৰ আধুনিক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

ইয়াৰ উপৰি মণ্ডলদৈত ১,০১৬ কোটি টকা ব্যয়ৰে অসম দক্ষতা বিশ্ববিদ্যালয় (আসাম স্কিল ইউনিভাৰ্চিটি) গঢ়ি তোলা হৈছে। এই বিশ্ববিদ্যালয়খনত কাৰিকৰী ডিপ্লমাৰ পৰা বি টেক, এম বি এ আৰু গৱেষণামূলক ডক্টৰেট পৰ্যায়ৰ পাঠ্যক্ৰম থাকিব। ইয়াত কৃত্ৰিম বুদ্ধিমত্তা, ডাটা ছায়েন্স আৰু ডিজিটেল মেনুফেকচাৰিঙৰ দৰে বিষয়তো শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

টাটা নেলক' আৰু সমগ্ৰ শিক্ষা অভিযান, অসমৰ সহযোগত ৬০০ কোটি টকা ব্যয়ৰে এক 'হাব এণ্ড স্পোক' দক্ষতা বিকাশ নেটৱৰ্ক গঢ়ি তোলা হ'ব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5236

অসম

সলনি হ'ল গুণোৎসৱ ২০২৭ৰ সময়সূচী: ১৯ জানুৱাৰীৰ পৰিৱর্তে ৬ জানুৱাৰীৰ পৰা আৰম্ভ হ'ব মূল্যায়ন

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৫০



গুৱাহাটী: ৰাজ্যৰ বিদ্যালয়সমূহত অনুষ্ঠিত হ'বলগীয়া গুণোৎসৱ ২০২৭ৰ সময়সূচী সলনি কৰিছে ৰাজ্য চৰকাৰে। পূৰ্বনির্ধাৰিত ১৯ জানুৱাৰীৰ পৰিৱর্তে এতিয়া ৬ জানুৱাৰীৰ পৰা গুণোৎসৱৰ সপ্তম পর্যায়ৰ মূল্যায়ন প্ৰক্ৰিয়া আৰম্ভ হ'ব। আগন্তুক লোকপিয়লৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ দুটা পর্যায়ত এই মূল্যায়ন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

সমগ্ৰ শিক্ষা, অসমে জাৰি কৰা সংশোধিত কার্যসূচী অনুসৰি প্ৰথম পর্যায়ত ৰাজ্যৰ ২০খন জিলাত ৬ জানুৱাৰীৰ পৰা ৯ জানুৱাৰীলৈ গুণোৎসৱ অনুষ্ঠিত হ'ব।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5232

অসম

মাৰ্ঘেৰিটাত বান সাহায্য বিতৰণত ব্যাপক অনিয়মৰ অভিযোগ: কেৱল ফটো তোলাৰ বাবেহে দিয়া হৈছিল ১.২০ লাখ টকাৰ চেক!

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:৩৭



মাৰ্ঘেৰিটা: তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত বানপীড়িত পৰিয়ালক ক্ষতিপূৰণ বিতৰণৰ নামত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5224

অসম

মাজুলীত চলিব উত্তৰ-পূবৰ প্ৰথমখন দুমহলীয়া পর্যটক বাছ 'পুষ্পক'

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:০২



২২ নৱেম্বৰ , ২০২৬

লণ্ডনত নহয়, এইবাৰ মাজুলীতো চলিব দুমহলীয়া বাছ 'পুষ্পক' ।মাজুলীৰ পর্যটন ক্ষেত্ৰখনক নতুন মাত্ৰা প্ৰদানৰ লক্ষ্য।

মাজুলীৰ পর্যটন ক্ষেত্ৰলৈ আহিছে এক নতুন সংযোজন। নদীদ্বীপ মাজুলীত চলিব উত্তৰ-পূব ভাৰতৰ প্ৰথমখন দুমহলীয়া পর্যটক বাছ। লণ্ডনৰ আৰ্হিত নির্মাণ কৰা এই বিশেষ বাছখনৰ নাম ৰখা হৈছে 'পুষ্পক'। ঐতিহাসিক শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ উদ্যোগত বাছখন মাজুলীলৈ অনা হৈছে।

বাছখনৰ সন্দর্ভত শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে কয়, "লণ্ডনতে নহয়, মাজুলীতো চলিব দুমহলীয়া বাছ।" লণ্ডন ভ্ৰমণৰ সময়ত দুমহলীয়া পর্যটক বাছত ভ্ৰমণ কৰাৰ অভিজ্ঞতাৰ পৰাই অনুপ্ৰাণিত হৈ সত্ৰাধিকাৰগৰাকীয়ে মাজুলীৰ পর্যটন ক্ষেত্ৰখনক এক নতুন মাত্ৰা দিয়াৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰে।

পঞ্জাবৰ জলন্ধৰত বিশেষভাৱে নির্মাণ কৰা মেৰুণ ৰঙৰ বাছখনৰ উচ্চতা প্ৰায় ১৪ ফুট ৬ ইঞ্চি। সম্পূর্ণ শীত-তাপ নিয়ন্ত্ৰিত এই বাছখনত মুঠ ৪০খন আসনৰ ব্যৱস্থা আছে। ইয়াৰ উপৰি যাত্ৰীসকলে চাৰিওফালৰ প্ৰাকৃতিক দৃশ্য উপভোগ কৰিব পৰাকৈ বাছখনত ডাঙৰ ডাঙৰ খিৰিকী লগোৱা হৈছে।

মাজুলীৰ ৰাস মহোৎসৱৰ প্ৰাকক্ষণত বাছখন জলন্ধৰৰ পৰা আহি দ্বীপটোত উপস্থিত হৈছে। এই বাছৰ জৰিয়তে দেশী-বিদেশী পর্যটক তথা ভক্তসকলে মাজুলীৰ ঐতিহাসিক সত্ৰসমূহ দর্শন কৰাৰ লগতে দ্বীপ জিলাখনৰ প্ৰাকৃতিক আৰু সাংস্কৃতিক সৌন্দর্য উপভোগ কৰিব পাৰিব।

জানিব পৰা মতে, বাছখনৰ পর্যটক সেৱা ২৪ নৱেম্বৰৰ পৰা আৰম্ভ হোৱাৰ কথা আৰু ২৫ নৱেম্বৰত...

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/5220

অসম

ত্ৰয়োদশ শিলিগুড়ি চৰ্ট ফিল্ম ফেষ্টিভেললৈ আমন্ত্ৰণ ডিগবৈৰ গোপাল চন্দ্ৰ দাস

বিজয় সূত্ৰধৰ | ২২ নৱেম্বৰ ২০২৬, পুৱা ১১:১৪



উত্তৰবঙ্গৰ শিলিগুড়ি চহৰত ফেডাৰেচন অৱ ফিল্ম ছচাইটি অৱ ইণ্ডিয়াৰ সহযোগত শিলিগুড়ি চিনে ছচাইটিৰ উদ্যোগত ২৩ৰ পৰা ২৭ নৱেম্বৰলৈকে আয়োজিত ত্ৰয়োদশ শিলিগুড়ি চুটি ছবি ফেষ্টিভেললৈ আমন্ত্ৰণ লাভ কৰিছে ডিগবৈৰ বিশিষ্ট সমাজকৰ্মী গোপাল চন্দ্ৰ দাসে। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ বহুকেইগৰাকী গণ্য মান্য বিশিষ্ট ব্যক্তি, দেশ বিদেশৰ নিৰ্ণায়ক মণ্ডলী(জুৰী), প্ৰযোজক, পৰিচালকৰ উপস্থিতিত বহু কেইখন চুটিছবি আৰু ডকুমেন্টৰী উক্ত ফেচষ্টিভেলত প্ৰদৰ্শিত হব।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5153

অসম

গৰৈমাৰীত ই-ৰিক্সা বাগৰি শ্ৰমিক যুৱকৰ মৃত্যু, পিতৃহাৰা হ'ল দুই সন্তান

মীৰ মুছাৰোফ হুছাইন | ২২ নৱেম্বৰ ২০২৬, পুৱা ১০:৪৮



গৰৈমাৰী: দক্ষিণ কামৰূপৰ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ টুক্ৰাপাৰাত সংঘটিত এক শোকাৱহ পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱালে এজন শ্ৰমিক যুৱকে। মহেন্দ্ৰ ই-ৰিক্সা বাগৰি থিতাতে মৃত্যু হোৱা যুৱকজন টুক্ৰাপাৰা গাঁৱৰ ছোবাহান আলীৰ পুত্ৰ লালচান আলী বুলি জানিব পৰা গৈছে। নিহত যুৱকজন দুই সন্তানৰ পিতৃ আছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5095

অসম

শিৱসাগৰত সপ্তম শ্ৰেণীৰ ছাত্ৰীৰ আত্মহত্যা, শিক্ষকৰ প্ৰহাৰৰ পিছতে চৰম সিদ্ধান্ত লোৱাৰ অভিযোগ পৰিয়ালৰ

মোস্তাক আহমেদ | ২২ নৱেম্বৰ ২০২৬, পুৱা ১০:৪৪



শিৱসাগৰ: শিৱসাগৰ চহৰত সংঘটিত হৈছে এক শোকাৱহ ঘটনা। চহৰখনৰ হাবিৰাম বড়া পথত নিজৰ বাসগৃহত চিপ লৈ আত্মহত্যা কৰে এগৰাকী সপ্তম শ্ৰেণীৰ ছাত্ৰীয়ে। বিদ্যালয়ৰ এজন শিক্ষকে প্ৰহাৰ কৰাৰ পিছতে ছাত্ৰীগৰাকীয়ে এই চৰম সিদ্ধান্ত লোৱা বুলি অভিযোগ উত্থাপন কৰিছে পৰিয়ালৰ লোকে।


পৰিয়ালৰ অভিযোগ অনুসৰি, শিৱসাগৰৰ থানুৰাম গগৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এজন শিক্ষকে দুদিন ধৰি ছাত্ৰীগৰাকীক শাৰীৰিক আৰু মানসিকভাৱে হাৰাশাস্তি কৰিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5087

আন্তঃৰাষ্ট্ৰীয়

পত্নীক নিচাযুক্ত দ্ৰব্য খুৱাই ১৩ বছৰ ধৰি অচিনাকি পুৰুষৰ দ্বাৰা ধৰ্ষণ কৰোৱালে স্বামীয়ে, অনলাইনযোগে ঘৰলৈ মাতিছিল লোকক

NewzNow ডেস্ক | ২২ নৱেম্বৰ ২০২৬, নিশা ৭:৪৭



যুক্তৰাজ্যত সংঘটিত এক জঘন্য যৌন নিৰ্যাতনৰ গোচৰত উইনচেষ্টাৰ ক্ৰাউন কৰ্টৰ বিচাৰপীঠে চাৰিজন লোকক দোষী সাব্যস্ত কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5367

অসম

গৰৈমাৰী ব্ৰহ্মপুত্ৰ ভেলী একাডেমীৰ একাদশ বাৰ্ষিক অধিবেশনত জনমভূমি কাকতৰ উপ-সম্পাদক নুৰুল ইছলামকে প্ৰমুখ্য কৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিক 'ব্ৰহ্মপুত্ৰ ভেলী একাডেমী-২০২৬' সন্মান প্ৰদান ।

মীৰ মুছাৰোফ হুছাইন | ২২ নৱেম্বৰ ২০২৬, পুৱা ১০:১১



দক্ষিণ কামৰূপৰ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰী ৰাজ ফাউণ্ডেচনৰ উদ্যোগত আৰু ব্ৰহ্মপুত্ৰ ভেলী একাডেমী, গৰৈমাৰীৰ সহযোগত নিশা অনুষ্ঠিত একাদশ বাৰ্ষিক অধিৱেশনৰ মুকলি সভাত জনমভূমি কাকতৰ উপ-সম্পাদক নুৰুল ইছলাম,ছয়গাঁও এন কে টিভিৰ সাংবাদিক বিশ্বজিত দাস,গুৱাহাটী বিশ্ববিদ্যালয়ৰ মুৰব্বী অধ্যাপক আবুবক্কাৰ চিদ্দিক,দক্ষিণ কামৰূপৰ বনগাঁওৰ কণ্ঠশিল্পী ছয়ানিকা কলিতাক প্ৰমুখ্য আন কেইবাগৰাকী বিশিষ্ট ব্যক্তিক ব্ৰহ্মপুত্ৰ ভেলী একাডেমী-২০২৬' সন্মানেৰে সন্মানিত কৰা হয়। উল্লেখ্য যে যোৱা ১৭ অক্টোবৰৰ পৰা আৰম্ভ হোৱা এই অধিৱেশনৰ মুকলি সভাত মুখ্য অতিথি হিছাপে অসম খাদী আৰু গ্ৰাম উদ্যোগ ব'ৰ্ডৰ অধ্যক্ষ ডাঃ কমলাকান্ত কলিতাই ব্ৰহ্মপুত্ৰ ভেলী একাডেমী ২০২৬ এই বিশেষ সন্মান প্ৰদান কৰে। সাংবাদিকতা,শিক্ষাৰ লগতে সামাজিক ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতিস্বৰূপে ব্যক্তি সকলক এই সন্মান প্ৰদান কৰা হয়। এই সন্মানে নুৰুল ইছলামৰ লগতে সংবাদ জগতৰ সৈতে জড়িত মহলতো আনন্দৰ সৃষ্টি কৰিছে। ব্ৰহ্মপুত্ৰ ভেলী একাডেমীত ৫ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত একাদশ বাৰ্ষিক অধিবেশনত বিদ্যালয়খনৰ ছাত্ৰ ছাত্ৰী সকলে হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ সোঁৱৰণত সাংস্কৃতিক শোভাযাত্ৰা উলিয়ায়।বাৰ্ষিক অধিৱেশনৰ পাঁচদিনীয়া কাৰ্যসূচীত ছাত্ৰ ছাত্ৰী সকলে জুবিন সংগীত,বিভিন্ন ধৰণৰ খেল ধেমালি,নাচ গান আদিৰ লগতে বাৰেৰহনীয়া অনুষ্ঠানৰ নিশা সফল সামৰণি পৰে। উক্ত অনুষ্ঠানত কেইবাহাজাৰ ৰাইজৰ লগতে অভিভাৱক অভিভাবিকা সকলৰ লগতে ছাত্ৰ ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰী সকল উপস্থিত থাকে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/5109

এই সংখ্যাত

১ স্বাস্থ্য বিভাগৰ হঠকাৰী সিদ্ধান্ত! নামভৰ্তিৰ পিছতো MBBS-ৰ মাচুল ১ লাখ পৰ্যন্ত বৃদ্ধি!

১ BJP-RSSক 'জাতিবাদী পুৰুষতান্ত্ৰিক' আখ্যা ৰাহুল গান্ধীৰ, অৰ্ধনাৰীশ্বৰ মূৰ্তিৰ ছবি শ্বেয়াৰ কৰি সমালোচনা

১ তেলেংগানা কংগ্ৰেছত সংঘাত: দলৰ বিধায়কক 'পাগল কুকুৰে কামো�ৰা' বুলি মুখ্যমন্ত্ৰী ৰেৱন্তৰ বিতৰ্কিত মন্তব্য

১ ইজৰাইলত চৰকাৰ গঠনৰ তৎপৰতা: নেতানিয়াহুৰ দলক আলোচনালৈ আমন্ত্ৰণ গাডি আইজেনকটৰ

১ বাংলাদেশত পুনৰ ৰাজনৈতিক হিংসা: আৱামী লীগ নেতাৰ ঘৰত অগ্নিসংযোগ, কেইবাখনো জিলাত উত্তেজনা

২ দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত নেপালৰ প্ৰধানমন্ত্ৰী বালেন্দ্ৰ শ্বাহ

২ ক্ৰিকেটাৰ যুজবেন্দ্ৰ চাহালৰ বিজেপিত যোগদান: অ'বিচি মৰ্চাত পালে গুৰুত্বপূৰ্ণ দায়িত্ব

২ নিজম পৰিল নেকি জুবিন অনুৰাগী? মানস ৰবীনৰ আহ্বানৰ প্ৰতি আশানুৰূপ সঁহাৰি নাপালে অনুষ্ঠানটোৱে

২ পুনেত পৌৰ নিগমৰ উচ্ছেদ অভিযান: একেৰাহে চতুৰ্থ দিনাও অবৈধ নিৰ্মাণৰ বিৰুদ্ধে ব্যৱস্থা

৩ পাকিস্তানী মন্ত্ৰীক বিৰিয়ানী-কাবাব খুওৱাক লৈ কেন্দ্ৰীয় চৰকাৰক সমালোচনা সুপ্ৰিয়া শ্ৰীনাটেৰ

৩ চাওমিন খাই ১১৮টি শিশুসহ ১৩০জন লোক অসুস্থ

৩ গুজৰাটত ভয়ংকৰ পথ দুৰ্ঘটনা: সেনা জোৱানৰ পৰিয়ালৰ তিনিটা শিশুকে ধৰি ৭ জনৰ কৰুণ মৃত্যু

৩ বিজেপিৰ অ'বিচি মৰ্চাৰ ৰাষ্ট্ৰীয় উপ-সভাপতি হিচাপে নিযুক্তি সাংসদ যোগেন মোহনক

৪ মিঠাই কাৰখানাত ভয়ংকৰ অগ্নিকাণ্ড: ৩জনৰ মৃত্যু, ৩৬জন সন্ধানহীন

৪ আইতাকৰ অন্ত্যেষ্টিক্ৰিয়াত অংশ লৈ পুনৰ ডিব্ৰুগড় কেন্দ্ৰীয় কাৰাগাৰলৈ অমৃতপাল সিং

৪ নয়ডাত বায়ু প্ৰদূষণৰ ভয়াৱহ ৰূপ, দিল্লীৰ তুলনাত নয়দা আৰু গ্ৰেটাৰ নয়দাত বায়ু প্ৰদূষণৰ মাত্ৰা (AQI) অধিক বৃদ্ধি

৫ বিজেপিৰ ৰাজ্যসভাৰ সাংসদ ৰামৰাও ৰাডকুটেৰ দেহাৱসান, প্ৰধানমন্ত্ৰীৰ শোক প্ৰকাশ

৫ ৬০০ কোটি টকা ব্যয়েৰে নিজা উপগ্ৰহ ব্যৱস্থা গঢ়াৰ পৰিকল্পনা অসম চৰকাৰৰ

৫ SEBIৰ নিয়ম সলনিৰ প্ৰস্তাৱক লৈ কংগ্ৰেছৰ বিৰোধিতা, বিদেশী পুঁজিৰ স্বচ্ছতাক লৈ শংকা

৬ পশ্চিম এছিয়াৰ সংঘাতৰ প্ৰভাৱ: অক্টোবৰত ভাৰতৰ তেল আৰু গেছ আমদানি ব্যয় ৬০ শতাংশ বৃদ্ধি

৬ গৌৰৱ গগৈৰ অভিযোগ ভিত্তিহীন আৰু হাস্যকৰ: ৰাজ্যিক বিজেপি

আৰু ২৪টা খবৰ ভিতৰৰ পাতত

NewzNow ই-কাকত: প্ৰতিদিনে সন্ধিয়া newznow.in/epaper-ত। প্ৰতিটো খবৰৰ সম্পূৰ্ণ বিৱৰণ, ভিডিঅ' আৰু আপডেট newznow.in-ত পঢ়ক।
খবৰ শুনক: newznow.in/listen